**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-JAN-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

সদৌ অসম চুতীয়া জাতি সন্মিলনৰ উদ্যোগত আৰু চুতীয়া উন্নয়ন পৰিষদৰ ব্যৱস্থাপনাত তিতাবৰৰ জালুকনিবাৰী বীৰপাল ক্ষেত্ৰত অনুষ্ঠিত চুতীয়া সাংস্কৃতিক আৰু জনগোষ্ঠীয় সমাৰোহত কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই কাৰ্যসূচীত অংশ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ অতি প্ৰাচীন জাতি চুতীয়াসকলৰ সোণালী ইতিহাস, গৌৰৱময় সংস্কৃতি আৰু পৰম্পৰাৰ প্ৰতিফলনেৰে আয়োজন কৰা এই অনুষ্ঠানত ভাগ লৈ তেওঁ অতিশয় আনন্দিত হৈছে। বহু ঐতিহাসিক ঘটনাৰাজি আৰু বীৰ বীৰাংগনাৰ কালজয়ী গাথাঁ চুতীয়া জাতিৰ ইতিহাস পৰিপূৰ্ণ হৈ আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ সাংস্কৃতিক আৰু ৰাজনৈতিক ক্ষেত্ৰখনৰ গুৰুত্বপূৰ্ণ অধ্যায়ৰ ধাৰক আৰু বাহক চুতীয়া জাতি প্ৰচুৰ সম্ভাৱনাৰে ভৰপূৰ।

**ৰাইট (চি এম)**

অনুষ্ঠানত অংশ লৈ মন্ত্ৰী বিমল বৰাই ৰাজ্যৰ সৰ্বাংগীণ উন্নয়নত চুতীয়া জনগোষ্ঠীয়ে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে বুলি উল্লেখ কৰে। তেওঁ লগতে ৰাজ্যখনৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ উত্তৰণৰ বাবে মুখ্যমন্ত্ৰীৰ নেতৃত্বত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহতো আলোকপাত কৰে। অনুষ্ঠানত মন্ত্ৰী অতুল বৰা, বিধায়ক ৰূপজ্যোতি কুৰ্মীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ১৭ জানুৱাৰীত দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীয়ে সেইদিনাই গুৱাহাটীত প্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। শ্ৰীমোদীয়ে ১৮ জানুৱাৰীত কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত অংশ ল'ব আৰু এই সভাতে কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণৰ সময়তে ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ আৰু গুৱাহাটীৰ পৰা নতুন দিল্লীৰ ৰাউটালৈ চলিবলগীয়া দুখন ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব ।

প্ৰধানমন্ত্ৰীৰ আগমনৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰী পীযুষ হাজৰিকা আৰু কেশৱ মহন্তই কালি কলিয়াবৰৰ মৌচন্দা পথাৰত শ্ৰীমোদীয়ে অংশ ল'বলগীয়া জনসভাস্থলী পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়। হোজাই জিলাৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ জিলা বিজেপিৰ কাৰ্যালয়তো প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণৰ প্ৰস্তুতি সন্দৰ্ভত এখন সভা অনুষ্ঠিত হয়।

oooooo

বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম ক্ষেত্ৰত পৰ্যটন বিভাগৰ উদ্যোগত আৰু চৰাইদেউবাসীৰ সহযোগত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত চৰাইদেউ মহোৎসৱৰ কালি সামৰণি পৰে। কালি অন্তিম দিনা আয়োজিত সাংস্কৃতিক শোভাযাত্ৰাত ৪ সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে। এই শোভাযাত্ৰাত আহোম সৈনিক আৰু আহোম ডা-ডাঙৰীয়াক লগত লৈ প্ৰতীকি স্বৰ্গদেউৰ লগতে বিভিন্ন জাতি জনগোষ্ঠীৰ সংস্কৃতি প্ৰতিফলন ঘটে। ইয়াৰ পাছতে অনুষ্ঠিত মুকলি সভাত কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী যোগেন মোহনৰ লগতে কেইবাগৰাকী বুৰঞ্জীবিদে অংশগ্ৰহণ কৰে। এই মহোৎসৱে চৰাইদেউৰ প্ৰতি দেশী-বিদেশী পৰ্যটকক আকৰ্ষিত কৰি তুলিছে বুলি কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী শ্ৰীমাৰ্ঘেৰিটাই প্ৰকাশ কৰে।

উল্লেখযোগ্য যে, চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যাদা লাভ কৰাৰ পাছত এই মহোৎসৱে অঞ্চলটোৰ পৰ্যটন আৰু সংস্কৃতিৰ ক্ষেত্ৰলৈ নতুন সম্ভাৱনা কঢ়িয়াই আনিছে।

০০০০০০

অসম চাহ কৰ্মচাৰী সংঘ, মৰাণ শাখাৰ উদ্যোগত আৰু ডিৰাই চাহ বাগিচা প্ৰাথমিক গোটৰ আতিথ্যত আয়োজিত ৬৩ সংখ্যক ত্ৰিবাৰ্ষিক ডিৰাই অধিৱেশনত কালি কেবিনেট মন্ত্ৰী বিমল বৰা বিশিষ্ট হিচাপে উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন ৰাজ্য চৰকাৰে আদিবাসী চাহ জনগোষ্ঠী তথা আদিবাসী সমাজৰ সংৰ্বাগীণ উন্নয়নৰ বাবে বহুকেইটা গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে। চাহ শ্ৰমিকৰ নূন্যতম মজুৰি বৃদ্ধি, চাহ বাগিচা অঞ্চলত স্বাস্থ্য সেৱা আৰু শিক্ষা ব্যৱস্থাৰ উন্নয়ন, বাসগৃহ নিৰ্মাণ, বিশুদ্ধ খোৱাপানীৰ যোগান আদি বিকাশমূলক আঁচনিৰে চাহ জনগোষ্ঠীৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে কাম কৰি আহিছে বুলি মন্ত্ৰী শ্ৰীবৰাই প্ৰকাশ কৰে। এই অধিৱেশনত অসম চাহ কৰ্মচাৰী সংঘৰ বিষয়ববীয়া আৰু কৰ্মকৰ্তা উপস্থিত থাকে।

০০০০০০

**সমাপ্ত**